**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ১৫ অক্টোবৰত এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল ঘোষণা।

২। বৰপেটাৰ আতচবাজী শিল্পক জীয়াই ৰাখিবলৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ৰাজ্য বাসীলৈ আহ্বান।

৩। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত আজি এছ আই টিৰ ওচৰত ছিংগাপুৰৰ চাৰি প্ৰবাসী অসমীয়াৰ সাক্ষ্য প্ৰদান।

৪। গুৱাহাটীত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ ব্যক্তিগত ইভেণ্টৰ খেল আৰম্ভ।

**আৰু**

৫। আই চি চি মহিলা এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ কালি ভাৰতৰ বিৰুদ্ধে উত্তেজনাপূৰ্ণ খেলত অষ্ট্ৰেলিয়াৰ তিনি উইকেটত জয়লাভ।

০০০০০০

অহা ১৫ অক্টোবৰত এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰি কয়, যে সেইদিনা দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবচাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে অনাগত পাঁচ বছৰতো ৰাজ্যৰ বিভিন্ন চৰকাৰী বিভাগত নিযুক্তিৰ পৰিকল্পনা কৰা হৈছে।

উৎসৱৰ বতৰৰ পৰিপ্ৰেক্ষিতত ড০ শৰ্মাই বৰপেটাৰ আতচবাজী শিল্পক জীয়াই ৰাখিবলৈও সামাজিক মাধ্যমযোগে ৰাজ্য বাসীলৈ আহ্বান জনায়। সমাগত দিপাৱলীত থলুৱা আতচবাজী ফুটাই ব্যৱসায়ীসকলক উৎসাহিত কৰা উচিত বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। জুবিন গাৰ্গৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত একাংশ সংগঠনে শব্দহীন দীপাৱলী পালন কৰিবলৈ আহ্বান জনোৱাৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

থলুৱা পাইকাৰী ফটকা ব্যৱসায়ীসকলে সংগঠনসমূহক আহ্বান প্ৰত্যাহাৰ কৰিবলৈ অনুৰোধ জনাইছে। খিলঞ্জীয়া ব্যৱসায়ী সন্থাৰ হৈ ব্যৱসায়ী জিতেন্দ্ৰ শালৈয়ে কালি সংবাদমেল যোগে একাংশ দল-সংগঠনৰ শব্দহীন দীপাৱলী উদযাপনৰ দাবী প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনায়। ইপিনে অৱশ্যে মাৰোৱাৰী সন্মিলনৰ লখিমপুৰ শাখা, মাৰোৱাৰী সন্মিলনৰ মহিলা শাখা, লখিমপুৰ মাৰোৱাৰী যুৱ মঞ্চ আৰু মাৰোৱাৰী যুৱ মঞ্চ প্ৰগতি শাখাই সৰ্বসন্মতি ক্ৰমে দীপাৱলী পালন নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই সংগঠন চাৰিটাই এই সিদ্ধান্ত গ্ৰহণ কৰিছে।

০০০০০০

ঝুমইৰ বিনন্দিনীত অংশগ্ৰহণ কৰা চাহ বাগিচাৰ যুৱক-যুৱতীসকলক অহা ১৬ অক্টোবৰত খানাপাৰাত হ'বলগীয়া এটা অনুষ্ঠানত ২৫ হাজাৰ টকাকৈ মাননি প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। ১৬ অক্টোবৰত হ'বলগীয়া অনুষ্ঠানত যুৱক-যুৱতীসকলক যোগদান কৰিবলৈ তেওঁ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে ইতিমধ্যে কয়, যে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে দীপাৱলীৰ পাছত অক্টোবৰ মাহতে নিযুত মইনা আঁচনিৰ প্ৰথম কিস্তিৰ ধন লাভ কৰিব। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম আঁচনিৰ অধীনত ৭৫ হাজাৰ যুৱক-যুৱতীক নিৰ্বাচনৰ প্ৰক্ৰিয়া সম্পন্ন হৈছে বুলিও ড০ শৰ্মাই সামাজিক মাধ্যমযোগে উল্লেখ কৰে।

০০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ চাৰিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ভাষ্য দিবলৈ নহাসকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব। তেওঁ ছিংগাপুৰৰ প্ৰবাসী অসমীয়াসকলক স্ব-ইচ্ছাৰে আহি ভাষ্য দি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত সহযোগ আগবঢ়াবলৈ আহ্বান জনায়। ড° শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ আই টিয়ে তদন্তৰ নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ'ব বুলি উল্লেখ কৰে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, এছ আই টিয়ে জুবিন গাৰ্গৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব।

জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীৰে সদৌ অসম ছাত্ৰসন্থাই ৰাজ্যজুৰি কাইলৈ আৰু অহা ১৯ আৰু ২৩ অক্টোবৰত বিশেষ কাৰ্যসূচীৰ আহ্বান জনাইছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত কালি জিলা কংগ্ৰেছে শিল্পীগৰাকীৰ মৃত্যুৰ উচিত তদন্ত আৰু ন্যায়ৰ দাবীত মমশিখা সমদল উলিয়ায়।

০০০০০০

ৰাজ্যৰ যুৱক-যুৱতীসকলক বিদেশী ভাষাৰ দক্ষতাৰে পাৰ্গত কৰি তুলি বিশ্বজুৰি কৰ্মৰ সুযোগ মুকলি কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি **গোলকীয় প্ৰতিভাৰ বাবে মুখ্যমন্ত্ৰীৰ বিদেশী ভাষাৰ উদ্যোগ** শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই উপলক্ষে গুৱাহাটীৰ উত্তৰ-পূব দক্ষতা কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে এই আঁচনিখনৰ প্ৰথম পৰ্যায়ত ১৮০ গৰাকী যুৱক-যুৱতীক জাপানী ভাষাত প্ৰশিক্ষণ, নিযুক্তি আৰু আৰ্থিক সাহায্য প্ৰদান কৰা হ'ব। ইয়াৰ জৰিয়তে বিভিন্ন খণ্ডত ভাৰত-জাপানৰ সহযোগিতা বৃদ্ধি হোৱাৰ উপৰি অসম আৰু জাপানৰ জনসাধাৰণৰ মাজত সম্পৰ্ক সুদৃঢ় হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই পদক্ষেপৰ জৰিয়তে যুৱ প্ৰজন্মই বিদেশত নিয়োগৰ সুযোগ পোৱাই নহয়, বৰং তেওঁলোক বিদেশত অধিক দক্ষতাসম্পন্ন হৈ অসমলৈ ঘূৰি আহি ৰাজ্যৰ বিকাশত অৰিহণা যোগাব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। জাপানী ভাষাৰ এই পাঠ্যক্ৰমৰ মুঠ ব্যয়ৰ এক লাখ টকা ৰাজ্য চৰকাৰে আৰু ৫০ হাজাৰ টকা জাপানে ব্যয় কৰিব বুলি ড০ শৰ্মাই উল্লেখ কৰে। মুঠ খৰচৰ মাত্ৰ ৩০ হাজাৰ টকাহে যুৱক-যুৱতীসকলে বহন কৰিব লাগিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে অৱগত কৰে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

তেওঁ লগতে বছা বছা কেইগৰাকীমান অসম প্ৰশাসনিক সেৱাৰ বিষয়াইও এই পদক্ষেপ অংশ লৈ জাপানী ভাষা শিক্ষা লাভ কৰিব বুলি প্ৰকাশ কৰে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। মধ্য অসম আৰু পাৰ্বত্য জিলা দুখনৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ দশমিক ৭ মেগা হাৰ্টজত আকাশবাণী নগাঁও কেন্দ্ৰৰ পৰা, ১০০ দশমিক ২ মেগা হাৰ্টজত আকাশবাণী হাফলং কেন্দ্ৰৰ পৰা, ১০০ দশমিক ৯ মেগা হাৰ্টজত আকাশবাণী ডিফু কেন্দ্ৰৰ পৰা, ১০১ দশমিক ৫ মেগা হাৰ্টজত লামডিং, ১০০ দশমিক ৬ মেগা হাৰ্টজত বকলীয়া আৰু ১০২ দশমিক ১ মেগা হাৰ্টজত সৰিয়হজান ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে ৰাজ্যৰ ২৬ খন জিলাত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে উপৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

ডিব্ৰুগড় জিলাৰ সকলো খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ অঞ্চল তথা নগৰ অঞ্চলৰ এক লাখ ৯২ হাজাৰ ৭১৬ গৰাকী শিশুক পলিঅ' প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। কালি পলিঅ' প্ৰতিষেধক গ্ৰহণ কৰিব নোৱাৰা শিশুসকলক আজি আৰু কাইলৈ স্বাস্থ্যকৰ্মীসকলে ঘৰে ঘৰে গৈ প্ৰতিষেধক প্ৰদান কৰিব।

গোৱালপাৰা জিলাতো ৫ বছৰ বয়সৰ ভিতৰৰ মুঠ এক লাখ ৯৬ হাজাৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলৈ লোৱা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ প্ৰথমদিনা প্ৰায় ৬৫ শতাংশ শিশুক পলিঅ' দিয়া হয়। জিলাখনৰ ৩২৮ খন ঠাইত এই কাৰ্যসূচীত এহেজাৰ ৭৮ গৰাকী স্বাস্থ্যকৰ্মীয়ে ৫১ হাজাৰ ৭২৮ টি শিশুক প্ৰতিষেধক প্ৰদান কৰে। জিলাখনৰ মুঠ ৮০ হাজাৰ শিশুক এই অভিযানৰ জৰিয়তে সামৰি লোৱা হৈছে।

ওদালগুৰি জিলাত এই অভিযানৰ অধীনত কাইলৈ পৰ্যন্ত এক লাখ ছহেজাৰ ৪৬৭ টি শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব।

চিৰাং জিলাত ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে।

দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত ৫ বছৰ বয়সৰ তলৰ এক লাখ ৩৮ হাজাৰ ৭৬৩টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। তদুপৰি ৫৩টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদানকাৰী দলে দুৰ্গম আৰু যাতায়াতৰ অসুবিধা থকা স্থানলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০০

ৰাজ্য চৰকাৰ আৰু মটক জনগোষ্ঠীৰ কেইবাটাও সংগঠনৰ মাজত কালি দিছপুৰত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত সদৌ অসম মটক সন্মিলন, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলন, সদৌ অসম মহিলা মটক পৰিষদ, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদ আৰু সদৌ অসম মটক ছাত্ৰসন্থাৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত জনগোষ্ঠীটোৰ জনজাতিকৰণৰ দাবীকে ধৰি বহু কেইটা গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰা হয়। মটকসকলৰ জনজাতিকৰণৰ দাবীক লৈ চৰকাৰ ইতিবাচক দৃষ্টিভংগীৰে আগবাঢ়িছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰে।

০০০০০০

কামৰূপ জিলাৰ আমিনগাঁৱত অনুষ্ঠিত বি ডব্লিউ এফ বিশ্ব জুনিয়ৰ বেডমিণ্টন ছেম্পিয়নশ্বিপৰ ব্যক্তিগত ইভেণ্টৰ খেলসমূহ আজিৰ পৰা আৰম্ভ হ'ব। ল'ৰা আৰু ছোৱালীৰ একক শাখাৰ লগতে দ্বৈত শাখাৰ খেলো অনুষ্ঠিত হ'ব।

০০০০০০

আই চি চি মহিলা বিশ্বকাপ ক্রিকেট প্রতিযোগিতাত যোৱানিশা বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত ভাৰতে অষ্ট্রেলিয়াৰ বিৰুদ্ধে বৃহৎ লক্ষ্য নির্ধাৰণ কৰি দিয়া সত্বেও তিনি উইকেটত পৰাস্ত হয়। ভাৰতে প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি ৪৮ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩০ ৰান সংগ্রহ কৰে। অপেনাৰ স্মৃতি মন্ধানাই ৬৬টা বলত ৮০ ৰান কৰাৰ লগতে প্রতিকা ৰাৱলে ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। অষ্ট্রেলিয়াৰ আনাবেল ছুথাৰলেণ্ডে ৫টা উইকেট দখল কৰে। প্রত্যুত্তৰত  অষ্ট্রেলিয়াই ৪৯ অভাৰত ৭ উইকেটৰ বিনিময়ত নির্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ এলিছা হিলিয়ে ১০৭টা বলত ১৪২ ৰান কৰাৰ লগতে এলিছি পেৰীয়ে ৪৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। ভাৰতৰ নাল্লাপুৰেড্ডী চৰণীয়ে ৩টা উইকেট দখল কৰাৰ বিপৰীতে দিপ্তী শর্মা আৰু অমনজোত কৌৰে দুটাকৈ উইকেট লাভ কৰে। এলিছা হিলিক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়।

প্রতিযোগিতাৰ আজি বিশাখাপট্টনমত হ'বলগীয়া খেলত দক্ষিণ আফ্রিকা বাংলাদেশৰ মুখামুখি হ'ব।

০০০০০০

নতুন দিল্লীত অনুষ্ঠিত চলিত ক্রিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত ৱেষ্ট ইণ্ডিজে দুটা উইকেটৰ বিনিময়ত সংগ্রহ কৰা ১৭৩ ৰানৰ পৰা আজি চতুর্থ দিনা নিজৰ দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। দলটোৰ হৈ জন কেম্পবেলে ৮৭ আৰু ছাই হোপে ৬৬ ৰান কৰি খেলি আছে। কেম্পবেল আৰু হ'পে তৃতীয় উইকেটৰ যুটিত ১৩৮ ৰান যোগ দিয়ে। অৱশ্যে দলটোক ইনিংছ পৰাজয়ৰ পৰা হাত সাৰিবলৈ এতিয়াও ৯৭ ৰানৰ প্রয়োজন হৈ আছে। খেলখন পুৱা চাৰে ৯ বজাৰ পৰা অনুষ্ঠিত হ'ব।

ইয়াৰ পূর্বে কালি ৱেষ্ট ইণ্ডিজৰ প্রথম ইনিংছ ২৪৮ ৰানত সমাপ্ত হোৱাত দলটো ফল'অনৰ সন্মুখীন হয়।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্রকাশিত দৈনিক বাতৰি কাকতসমূহে জুবিন গার্গৰ মৃত্যুৰ তদন্ত, জনজাতিকৰণক লৈ বিভাজনৰ নীতি, সামৰিক মর্যাদাৰে ছহিদ মহেন্দ্র লস্কৰৰ শেষকৃত্য আদি ভিন ভিন বাতৰিক প্রথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া প্রতিদিন** কাকতে 'বি টি চি প্রশাসনৰ ক্ষমতা কর্তন দিছপুৰৰ' শিৰোনামেৰে নির্বাচনত পৰাজিত হৈ বিজেপি চৰকাৰৰ হাগ্রামাক উন্নয়নৰ কামত বাধা দিয়াৰ ষড়যন্ত্রৰ এটা বাতৰিক প্রধান বাতৰিৰূপে প্রকাশ কৰিছে। **দৈনিক অসম** কাকতত মায়াবিনীক লৈ কংগ্রেছৰ আবেগৰ ৰাজনীতি শিৰোনামেৰে জুবিনৰ অমৰ সৃষ্টিৰ ব্যৱহাৰক লৈ ব্যাপক প্রতিক্রিয়া সৃষ্টি হোৱাৰ এটা বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়া হৈছে। **আমাৰ অসম** কাকতে 'শ্যামকানুৰ আইনী পথ বন্ধ কৰিবলৈ ছুপ্রিম ক'র্টত কেভিয়েট ৰাজ্য চৰকাৰৰ' শিৰোনামেৰে জুবিন গার্গৰ মৃত্যুৰ ৰহস্য ভেদ কৰাৰ বাবে এছ আই টিয়ে দিন-ৰাতি একাকাৰ কৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্রকাশ কৰিছে। 'আজি ছিংগাপুৰৰ পৰা আহি ৪ জনে দিব সাক্ষ্য' এই শিৰোনাম **অসমীয়া খবৰ** কাকতৰ। **নিয়মীয়া বার্তা** কাকতে খিলঞ্জীয়াৰ অস্তিত্বক লৈ মুখ্যমন্ত্রীৰ মন্তব্যৰ বিষয়ে 'অসমত অসমীয়া হিন্দু মাত্র ৪০ শতাংশহে' শিৰোনামেৰে মুখ্য বাতৰি পৰিৱেশন কৰিছে। **দৈনিক অগ্রদূত** কাকতে জনজাতীয় ৰাইজ আৰু ছটা জনগোষ্ঠীৰ সংঘাত লগাবলৈ চেষ্টা কৰিছে খাখলাৰীয়ে শীর্ষক এটা বাতৰিক বক্স নিউজ হিচাপে প্রথম পৃষ্ঠাত অন্যতম গুৰুত্বপূর্ণ বাতৰি হিচাপে প্রকাশ কৰিছে। **দি আছাম ট্রিবিউন** কাকতে পাকিস্তান-আফগানিস্তান সীমান্তত হোৱা সংঘর্ষত শতাধিক নিহত হোৱাৰ বাতৰিক প্রথম পৃষ্ঠাত প্রকাশ

কৰিছে। **দা ছেণ্টিনেল** কাকতে ২০২৫ বৰ্ষৰ ফ্লিমফেয়াৰ বঁটাসমূহ প্ৰদান কৰাৰ বিষয়ে আলোকচিত্ৰসহ বিস্তাৰিতভাৱে বাতৰি পৰিৱেশন কৰিছে। 'অৰাজক অসম চিকিৎসা মহাবিদ্যালয়' শিৰোনামেৰে **দৈনিক জনমভূমি** কাকতে ৰাজ্যৰ লাখ লাখ যুৱক-যুৱতী নিবনুৱা সমস্যাত ভাৰাক্ৰান্ত হৈ থকা অৱস্থাত মহাবিদ্যালয়খনৰ অধ্যক্ষ-উপাধ্যক্ষ, অধীক্ষককে ধৰি ছশ বিষয়া-কৰ্মচাৰীৰ পদ খালী হৈ থকাৰ বিষয়ে বিশেষ গুৰুত্ব সহকাৰে প্ৰধান বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত